# History of Japan

Paper – 619 for 6th Sem Major

১ প্ৰশ্নঃ মেইজী পুনঃ সংস্থাপনৰ সময়ত জাপানত হোৱা বিষয়ৰ অৰ্থনৈতিক পৰিৱৰ্তন উল্লেখ কৰা?

উত্তৰঃ মেইজী পুনঃ সংস্থাপনৰ সময়ত জাপানত অৰ্থনৈতিক ক্ষেত্ৰতো অভূতপূৰ্ব পৰিৱৰ্তন আহিছিল। এই নতুন অৰ্থনৈতিক গাঁথনিয়ে জাপানৰ অৰ্থনৈতিক উন্নয়ন ঘটোৱাৰ লগতে অৰ্থনৈতিক দিশত জাপানে বিশ্বৰ অন্যান্য দেশসমূহৰ লগত খোজ মিলাব পৰা হৈছিল। জাপানৰ অৰ্থনৈতিক পৰিৱৰ্তন তথা বিকাশ আছিল মেইজী প্ৰশাসনৰ এক উল্লেখযোগ্য সাফল্য। জাপানৰ অৰ্থনৈতিক পৰিৱৰ্তনৰ প্ৰতিফলন ঘটোৱা প্ৰধান কাৰ্যসমূহ হৈছিল –

ক) অৰ্থনৈতিক উন্নয়ন (Economic progress)

খ) উদ্যোগীকৰণ (Industrialization)

গ) বেংক প্ৰতিষ্ঠা (Establishment of banks.)

ঘ) মুদ্ৰানীতিৰ সংস্কাৰ (~~Revenue reform~~ (Currency reform)

ঙ) ৰাজহ সংস্কাৰ (Revenue reform)

জাপানৰ উন্নয়নৰ বাবে উদ্যোগীকৰণ অপৰিহাৰ্য আছিল বুলি জাপানীসকলে অনুধাৱন কৰিছিল। মেইজী পুনঃ সংস্থাপনৰ আগতেই জাপানত উদ্যোগীকৰণৰ আৰম্ভ হৈছিল। চাতচুমা অঞ্চলৰ নেতাসকলে (Satsuma Lords) সৰ্বপ্ৰথমে বিদেশী উদ্যোগ স্থাপনৰ জৰিয়তে ঔদ্যোগিক বিকাশ আৰু আধুনিক উন্নতিৰ বাট মুকলি কৰিছিল।

Scanned with CamScanner

তেওঁলোকৰ প্ৰচেষ্টাত বিভিন্ন বস্ত্ৰ উদ্যোগ, লৌহ উদ্যোগ জাহাজ নিৰ্মাণ উদ্যোগ ইত্যাদি গঢ়ি উঠিছিল। মেইজী প্ৰশাসনৰ সময়ত কবে (Kobe) নাগাচাকি (Nagasaki) আৰু য়'ক'চুকা (yokosuka) উল্লেখযোগ্য জাহাজ নিৰ্মাণ উদ্যোগকেন্দ্ৰ হিচাপে প্ৰতিষ্ঠিত হৈছিল। ওচাকা (Osaka) আৰু টকিঅ' (To-kyo) অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ উদ্যোগ প্ৰতিষ্ঠা কৰা হৈছিল। ১৮৮০ চনত জাপানত উদ্যোগ মন্ত্ৰণালয় (Ministry of Industry) প্ৰতিষ্ঠা কৰা হৈছিল। বস্ত্ৰ উদ্যোগসমূহ বিশেষকৈ কপাহৰ বস্ত্ৰ উদ্যোগ, ৰেচমী বস্ত্ৰ উদ্যোগ আৰু উলৰ বস্ত্ৰ উদ্যোগসমূহৰ ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠা কৰা হৈছে।

জাপানত মেইজী পুনঃ সংস্থাপনৰ পূৰ্বৰে পৰা উদ্যোগ স্থাপন কৰা হৈছিল যদিও মেইজী পুনঃস্থাপনৰ পাছত উদ্যোগসমূহৰ আধুনিকীকৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। মেইজী প্ৰশাসনে উদ্যোগীকৰণক গুৰুত্ব দিয়াৰ প্ৰধান কাৰণ আছিল —

১) শক্তিশালী সেনাবাহিনী সংগঠন কৰিব পাৰিলে জাপানে নিজকে শক্তিশালী ৰাষ্ট্ৰ গঢ়ি তুলিব বিচাৰিছিল।

2) জাপানৰ জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছিল। বৰ্দ্ধিত জনসংখ্যাই যাতে জাপানৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান অৱনমিত নকৰে তাৰ বাবে জাপানৰ উদ্যোগীকৰণ আৰু শক্তিশালী আৰ্থিক আধুনিকীকৰণ।

Scanned with CamScanner

প্ৰয়োজনীয় হৈ উঠিছিল।

ইংৰাজসকলৰ শাসনকালত উদ্যোগৰ আধুনিকীকৰণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ইয়াৰ কিছুমান উল্লেখযোগ্য পদক্ষেপ আছিল।—

১/ ১৮৫৫ চনত কলকাতা বস্ত্ৰ কলৰ যন্ত্ৰ ইংলেণ্ডৰ পৰা আমদানি কৰা হৈছিল।

২/ উদ্যোগসমূহৰ উন্নয়নৰ বাবে কাৰিকৰী শিক্ষাসমূহৰ পৰা অহা আৰু উপযুক্ত কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত অভিজ্ঞসকলক নিমন্ত্ৰণ কৰি আনি (ইংলেণ্ডৰ) নিৰ্দেশিত উদ্যোগ পৰিচালিত কৰা হৈছিল। যেনে- সূতী বস্ত্ৰ, উলৰ বস্ত্ৰ, চিমেণ্ট, প্ৰিণ্টিং, কাগজৰ আদি বিভিন্ন উদ্যোগ স্থাপনৰ দ্বাৰা উদ্যোগীকৰণৰ অগ্ৰগতি কৰা হৈছিল।

৩/ ১৮৭১ চনত ডাক বিভাগ (Postal and Telegraph Department)ৰ স্থাপনৰ জৰিয়তে উদ্যোগীকৰণক প্ৰত্যেক আৰু মাধ্যমে আগুৱাই নিয়া হৈছিল।

৪/ ১৮৭২ চনত ডিকম আৰু মাকুম অঞ্চলৰ মাজত প্ৰথমটো ৰেলপথ স্থাপনৰ কাম আৰম্ভ হৈছিল। ১৮৭২ চনত অসমত এই ৰেলপথ স্থাপনৰ কাম সম্পূৰ্ণ হৈছিল।

৫/ ১৮৭৩ চনত খনি বিভাগ (Mines department) প্ৰথমকৈ খোলা হৈছিল।

Md. Saiful Islam
Asstt. Prof. Moirabari college

Scanned with CamScanner